# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 06-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN
## HEADLINES
**::::::::::::::::::::::::::::::::::::::::::::**

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নাগালেণ্ডৰ যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় সেৱাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰ নিৰ্মাণত অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় লোক সেৱা আয়োগৰ ২০২৫ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ আজি ঘোষণা কৰা হয়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চলিত মাহৰ শেষৰ ফালে ভাৰত নক্সালমুক্ত দেশ হিচাপে পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰিছে।

৪। ইৰান, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ মাজৰ সংঘৰ্ষ আজি সপ্তম দিনাও অব্যাহত আছে।

আৰু

৫। অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ লক্ষ্য সেন আজি নিশা চাৰে ১০ বজাত চীনৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নাগালেণ্ডৰ যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় সেৱাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত তেওঁলোকৰ অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে। বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিকশিত নাগালেণ্ডে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ মত প্ৰকাশ কৰে। লুমামিৰ জোন হেবোতো জিলাৰ নাগালেণ্ড বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ব্যাপক বৈচিত্ৰ্য সত্বেও একতাই ভাৰতৰ সৰ্বোত্তম শক্তি বুলি সজোৰে উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে উত্তৰ পূৰ্বাঞ্চলত যোৱা কেইবাটাও দশকত আন্তঃগাঁথনিমূলক বিকাশৰ যোগেদি পৰিৱৰ্তন সাধন হোৱাৰ লগতে শান্তি স্থাপনৰ উদ্দেশ্যে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰে। সীমান্ত নাগালেণ্ড প্ৰাদেশিক প্ৰাধিকৰণ চুক্তিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ বাবে শান্তি আৰু সহযোগিতা অতি গুৰুত্বপূৰ্ণ বিষয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নাগালেণ্ড, মিজোৰাম আৰু ত্ৰিপুৰালৈ কৰা তিনি-দিনীয়া উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণৰ অংশ হিচাপে কাইলৈ আইজললৈ যাত্ৰা কৰিব।

০০০০

কেন্দ্ৰীয় লোক সেৱা আয়োগৰ ২০২৫ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ আজি ঘোষণা কৰা হয়। এই পৰীক্ষাত অনুজ অগ্নিহোত্ৰীয়ে প্ৰথম স্থান, ৰাজেশ্বৰী শুবেই দ্বিতীয় আৰু আকাংশ ধুলেই তৃতীয় স্থান অধিকাৰ কৰে বুলি কেন্দ্ৰীয় লোক সেৱা আয়োগে প্ৰকাশ কৰিছে। আয়োগে ৬৫৯ গৰাকী আৰু পুৰুষ ২৯৯ গৰাকী মহিলাকে ধৰি ধৰি মুঠ ৯৫৮গৰাকী প্ৰাৰ্থীক বিভিন্ন পদত নিযুক্তিৰ বাবে পৰামৰ্শ দিছে। আয়োগে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰৰ ২৫ মে'ত অনুষ্ঠিত প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে ৯ লাখ ৩০ হাজাৰতকৈও অধিক প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছিল।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চলিত মাহৰ শেষৰ ফালে ভাৰত নক্সালমুক্ত দেশ হিচাপে পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰিছে। কটকত আজি কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী- চি আই এছ এফৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে নিৰাপত্তা বাহিনীসমূহে

তিৰুপতিৰ পৰা পশুপতিনাথলৈকে সমগ্ৰ এলেকাটো মাওবাদীয়ে তেওঁলোকৰ মূল ঘাটি হিচাপে গঢ়ি তোলাৰ সপোন ধবংস কৰি পেলাব বুলি মত প্ৰকাশ কৰে। ওড়িশা, ছত্তিশগড়, তেলেংগানা আদিৰ দৰে ৰাজ্যত মাওবাদী-প্ৰবিৰোধী অভিযানসমূহত চি আই এছ এফে আগবঢ়োৱা অৱদানৰ তেওঁ ভূয়সী প্ৰশংসা কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ঔদ্যোগিক আন্তঃগাঁথনিসমূহক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চি আই এছ এফে বিশেষ ভূমিকা পালন কৰি আহিছে। সম্প্ৰতি বাহিনীটোৱে দেশৰ ৭০টা বিমান বন্দৰ আৰু ৩৬১টা গুৰুত্বপূৰ্ণ সংস্থাপনৰ নিৰাপত্তা প্ৰদান কৰি আহিছে। শ্ৰীশ্বাহে লগতে কয় যে বাহিনীটোক ড্ৰোণ নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত ন'ডেল সংস্থা হিচাপে গঢ়ি তোলা হৈছে আৰু ইয়াৰ বাবে সুকীয়া ব্যৱস্থাও গঢ়ি তোলা হৈছে।

ইফালে, পাৰাদ্বীপৰ ভাৰতীয় কৃষক সাৰ সমবায় লিমিটেডৰ চৌহদত আজি আয়োজিত আন এটা অনুষ্ঠানত শ্ৰীশ্বাহে এটা নতুন ছালফিউৰিক এছিদ প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্পটো প্ৰায় ৭৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে ওড়িশা সম্প্ৰতি বিকাশৰ দিশত দ্ৰুত গতিৰে অগ্ৰসৰ হৈছে আৰু অনাগত বছৰসমূহত গুজৰাটৰ দৰেই বিকশিত ৰাজ্য হৈ উঠিব। ভাৰতত সমবায় আন্দোলনৰ সফলতাৰ বিষয়ে আলোকপাত কৰি তেওঁ কয় যে প্ৰায় ৫ কোটি কৃষকক সামৰি লোৱা ইফকোই দেশৰ কৃষিখণ্ডৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই নতুন ছাউফিউৰিক এছিদ প্ৰকল্পটোত প্ৰতি দিনে দুহেজাৰ টন ছাউফিউৰিক এছিদ উৎপাদন কৰিব পৰা যাব। পৰিবেশৰ লগতে ইয়াৰ যোগেদি ঔদ্যোগিক দিশটোও শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে।

০০০০

ইৰান, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ মাজৰ সংঘৰ্ষই আজি সপ্তম দিনত প্ৰৱেশ কৰিছে। পশ্চিম এছিয়াৰ বিভিন্ন দেশৰ পৰা আজিও সংঘৰ্ষৰ শেহতীয়া বাতৰি আমালৈ আহিছে। ইজৰাইলে ইৰান আৰু লেবাননৰ ৰাজধানীত আজি বোমাবৰ্ষণ কৰে। ইপিনে, আমেৰিকাইও সাগৰৰ মাজত এখন ইৰানী ড্ৰোণৰ ওপৰত আক্ৰমণ কৰে। ইজৰাইলী সেনাই ইৰানৰ অধিক সংখ্যক বায়ু প্ৰতিৰক্ষা ব্যৱস্থা ধবংস কৰা বুলি দাবী কৰাৰ লগতে আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পেট হেগছেথে তেহৰানৰ ওপৰত আক্ৰমণ ক্ৰমাৎ বৃদ্ধি পাব বুলি সকিয়াই দিছে। ইফালে, ইৰানী চৰকাৰী টেলিভিছনে নতুন ক্ষেপনাস্ত্ৰ আক্ৰমণৰ বিষয়ে ঘোষণা কৰিছে। ইয়াৰ ভিতৰত বৃহৎ খোৰামচাহাৰ ফ'ৰ ক্ষেপনাস্ত্ৰৰ আক্ৰমণো অন্তৰ্ভুক্ত হৈ আছে। ইৰানৰ ইছলামিক ৰিভ'লিউচনাৰী গাৰ্ড ক'ৰে আজি প্ৰকাশ কৰা অনুসৰি তেওঁলোকৰ বায়ুসেনা বাহিনীয়ে **ট্ৰু প্ৰমিছ** অভিযানৰ ২১ সংখ্যক সংস্কৰণ আৰম্ভ কৰিছে। এই অভিযানৰ জৰিয়তে ইজৰাইলক লক্ষ্য কৰি কেইবাখনো আত্মঘাতী ড্ৰোণেৰে আক্ৰমণ চলোৱাৰ লগতে উন্নত ক্লাষ্টাৰ ৱাৰহেডযুক্ত ক্ষেপনাস্ত্ৰৰো ব্যৱহাৰ কৰা হ'ব।

ইফালে কাটাৰে বাইৰেইনৰ ওপৰত কৰা ইৰানী আক্ৰমণক নিন্দা কৰিছে। শেহতীয়াকৈ ইৰানে সেনাৰ ঘাটিসমূহক লক্ষ্য কৰি বাহৰেইনত আক্ৰমণ কৰিছিল। এই আক্ৰমণত অঞ্চলটোত থকা উপ-সাগৰীয় সহযোগিতা পৰিষদৰ একত্ৰিত সৈন্য বাহিনীক লক্ষ্য কৰি লোৱা হৈছিল। লেবাননৰ প্ৰধানমন্ত্ৰী নাবাফ ছালামে ইজৰাইল-হিজবুল্লা যুদ্ধৰ মাজতে লেবাননক সহায় আগবঢ়োৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক আহ্বান জনাইছে।

ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'লাল্ড ট্ৰাম্পে ইৰাণৰ সেনাক অস্ত্ৰ প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কমাণ্ডাৰ এডমিৰেল ব্ৰেড কুপাৰে আমেৰিকাৰ বাহিনীয়ে বিগত ৭২ ঘণ্টাত ইৰাণৰ ভিতৰৰ প্ৰায় দুশটা অঞ্চলত আক্ৰমণ চলোৱা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ইৰাণৰ বিদেশ মন্ত্ৰী চৈয়দ আববাছ আৰঘ্‌চিয়ে সাম্প্ৰতিক পৰিস্থিতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ সম্পূৰ্ণভাৱে দায়ী বুলি মত প্ৰকাশ কৰি কয় যে ইৰাণে আমেৰিকাৰ প্ৰশাসনৰ সৈতে দুবাৰকৈ আলোচনাৰ চেষ্টা চলাইছে যদিও দুয়োবাৰে আলোচনাৰ মাজতে ইৰাণক আক্ৰমণ কৰা হৈছে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আজি কয় যে সেৱা হিচাপে শিক্ষাই ভাৰতৰ ৰপ্তানিৰ পৰা হোৱা আয় বৃদ্ধিত অৰিহণা যোগোৱাৰ লগতে উচ্চমানবিশিষ্ট ভাৰতীয় শিক্ষা ব্যৱস্থাক সমগ্ৰ বিশ্বলৈ সম্প্ৰসাৰিত কৰাত যথেষ্ট সম্ভাৱনা আছে।

বিকশিত ভাৰত, ২০৪৭ৰ বাবে উচ্চ শিক্ষাৰ আন্তৰ্জিকীকৰণ বিষয়ত নতুন দিল্লীত অনুস্থিত উপাচাৰ্য সন্মিলনত ভাষণ প্ৰদান কৰি শ্ৰী গোৱালে উপাচাৰ্যসকলক ভাৰতৰ ভৱিষ্যতৰ স্থপতি বুলি অভিহিত কৰে।

তেওঁ লগতে কয় যে আধুনিক উন্নত জাতি এটাৰ ভেটি স্থাপন কৰাত আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ সৈতে সন্মুখীন হ'ব পৰাকৈ প্ৰতিজন উপাচাৰ্যই এক উল্লেখযোগ্য ভূমিকা পালন কৰে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে চৰকাৰে এক ব্যাপক প্ৰচেষ্টা হাতত লৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ প্ৰসংগৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই নীতিয়ে শিক্ষাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মানদণ্ড বজাই ৰখা, ভাৰতত শিক্ষানুষ্ঠানসমূহ সম্প্ৰসাৰণ আৰু সমগ্ৰ বিশ্বৰ পৰা ভাৰতবৰ্ষ লৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰাৰ বাবে ব্যৱস্থা হাতত লৈছে। শিক্ষানুষ্ঠান আৰু ইয়াৰ পাঠদান শৈলীৰ পুনৰ মূল্যায়নৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু ভাৰতৰ মুক্ত বাণিজ্য চুক্তিৰ দৰে বিষয় সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে ছাত্ৰ ছাত্ৰী সকলে গোলকীয় অৰ্থনীতিৰ সৈতে জড়িত সুযোগসমূহ আয়ত্ত কৰাত সহায়ক হয়।

০০০০

অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ লক্ষ্য সেন আজি চীনৰ সপ্তম বাছনিৰ খেলুৱৈ লী শ্বি ফেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শীৰ্ষৰ আঠটা স্থানৰ বাবে হ'বলগীয়া এই খেলখন নিশা চাৰে ১০ বজাত অনুষ্ঠিত হ'ব। বাৰ্মিংহামত কালি প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি বিশ্বৰ দ্বাদশ স্থানৰ খেলুৱৈ লক্ষ্য সেনে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত তেওঁ হংকঙৰ এন্‌জি কা লং এংগাছক ২১-১৯, ২১-২৩, ২১-১০ৰ পোনপটীয়া ছেটত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ মিক্সড ডাবল্‌ছ শাখাত ধ্ৰুৱ কাপিলা আৰু তানিছা ক্ৰেষ্টোই হংকঙৰ টাং চুন মন আৰু ছে য়িং শুৱেটৰ হাতত পৰাজয়বৰণ কৰাৰ পাছত লক্ষ্য সেনেই হ'ল এই প্ৰতিযোগিতাত বৰ্তি থকা ভাৰতৰ একমাত্ৰ খেলুৱৈ।

০০০০

ঃঃ সমাপ্ত ঃঃ